# খোতবা জুমা

**ছৈয়দিনা হজৰত আমিৰুল মোমিনিন খলিফাতুল মছীহ আল-খামিছ (আইঃ)য়ে ২০২১ চনৰ ২৪ ডিচেম্বৰ তাৰিখত মছজিদ মোবাৰক ইছলামাবাদ টিলফোৰ্ড (বৃটেইন)ত প্ৰদান কৰা জুমাৰ খোতবাৰ সাৰাংশ**

**আঁ-হজৰত (ছাঃ)ৰ মহান মৰ্যদা সম্পন্ন খলিফা ৰাশেদ হজৰত আবু বক্কৰ (ৰাঃ)ৰ স্বয়ং গুণাৱলীৰ ঈমান বৰ্দ্ধক প্ৰশংসনীয় গুণাৱলীৰ স্মৃতিচাৰণ মুলক বৰ্ণনা**

أَشْهَدُ أَنْ لَا إِلٰهَ إِلَّا اللّٰهُ وَحْدَهُ لَا شَرِيْكَ لَهُ وَأَشْهَدُ أَنَّ مُحَمَّدًا عَبْدُهُ وَرَسُوْلُهُ أَمَّا بَعْدُ فَأَعُوْذُ بِاللّٰهِ مِنَ الشَّيْطٰنِ الرَّجِيْمِ ۔ بِسْمِ اللّٰهِ الرَّحْمٰنِ الرَّحِيْمِ ۔ اَلْحَمْدُ لِلّٰهِ رَبِّ الْعٰلَمِيْنَ ۔ الرَّحْمٰنِ الرَّحِيْمِ ۔ مٰلِكِ يَوْمِ الدِّيْنِ ۔ اِيَّاكَ نَعْبُدُ وَاِيَّاكَ نَسْتَعِيْنُ ۔ اِهْدِنَا الصِّرَاطَ الْمُسْتَقِيْمَ ۔ صِرَاطَ الَّذِيْنَ اَنْعَمْتَ عَلَيْهِمْ ۙ غَيْرِ الْمَغْضُوْبِ عَلَيْهِمْ وَلَا الضَّآلِّيْنَ ۔

তাশ্বাহুদ তাউজ আৰু ছুৰা ফাতিহা পাঠৰ পিছত হুজুৰ আনোৱাৰ (আইঃ)য়ে কয় নবী কৰিম (ছাঃ)ৰ হিজৰতে মদিনাৰ সময়ত হজৰত আবু বক্কৰ (ৰাঃ)য়ে তেখেত (ছাঃ)ৰ লগত থকা সম্পৰ্কে বিশেষ বৰ্ণনাৰ উল্লেখ আছে। মক্কাত অৱস্থান কৰি থকা মুছলমান সকলৰ ওপৰত যেতিয়া মক্কাৰ কাফিৰ সকলৰ জুলুম অত্যাচাৰ দিনক দিনে বাঢ়ি গৈ আছিল তেতিয়া আঁ-হজৰত (ছাঃ)ক এটা সপোনত দুজন মুছলমানক এখনি সেউজ ভূমি খেজুৰৰ গছেৰে আৱৰা ঠাইত হিজৰত কৰা দেখুৱা হয়। এই ভূমি খণ্ডৰ ভৌগলিক চিত্ৰ চাই আঁ-হজৰত (ছাঃ)য়ে ধাৰণা কৰিছিল যে এই ঠাইখন সম্ভৱত ইয়ামামা অথবা হিজৰ হ'ব। কিছুদিন পিছত যেতিয়া মদিনাৰ কিছুমান সৌভাগ্যবান আনছাৰ সকলে ইছলাম গ্ৰহণ কৰিবলৈ আৰম্ভ কৰে তেতিয়া অদৃশ্য শক্তিৰ গৰাকী মহাপ্ৰভুৰ ফালৰ পৰা তেখেত (ছাঃ)ৰ মানসপটত উদ্ভাসিত হৈ পৰে যে সেয়া আচলতে ইয়াছৰিবৰ সমতল ভূমি হ'ব যি পিছত গৈ মদিনা নামেৰে খ্যাত হ'বলৈ আছিল।

আঁ-হজৰত (ছাঃ)য়ে অনুমতি দিয়াৰ পিছত মক্কাৰ মুছলমান সকলে মদিনাৰ ফালে হিজৰত কৰিবলৈ আৰম্ভ কৰে আৰু বয়াতে উকবা ছানিয়াৰ পিছত হিজৰতকাৰীৰ সংখ্যা আৰু বাঢ়ি যায়। এই অৱস্থা চাই মক্কাৰ দুদুৰ্ষ অত্যাচাৰী চৰ্দাৰ সকলে খঙতে বলিয়া হৈ মুছলমান সকলৰ ওপৰত জুলুম অত্যাচাৰৰ বিভিন্ন পন্থা হাতত ল'বলৈ ধৰে। কিন্তু ধৈৰ্য ধাৰণকাৰী আৰু শলাগ লোৱা মোমিন সকলৰ জমাতৰ পৰা যিসকলে হিজৰত কৰাৰ সুবিধা পাইছিল মদিনাৰ ফালে ধাৰাবাহিক ভাৱে হিজৰত কৰি গৈছিল যদিও আঁ-হজৰত (ছাঃ)য়ে খোদা তা'লাৰ হুকুমৰ অপেক্ষাত আছিল। হজৰত আবু বক্কৰ (ৰাঃ)য়ে যেতিয়া হিজৰত কৰাৰ অনুমতি বিচাৰিছিল তেতিয়া আঁ-হজৰত (ছাঃ)য়ে কৈছিল যে عَلٰى رِسْلِكَ فَاِنِّيْ اَرْجُوْا اَنْ يُّؤْذَنَ لِيْ অৰ্থাৎ অলপ অপেক্ষা কৰক কাৰণ মইও আশা পাতি আছো যে মোকও অনুমতি দিয়া যাওঁক। অৱশেষত মক্কাত কেৱলমাত্ৰ ৰছুলুল্লাহ (ছাঃ),হজৰত

আবু বক্কৰ (ৰাঃ),হজৰত আলি (ৰাঃ) আৰু কেইজনমান গোলামহে ৰৈ আছিল।

হজৰত মুচলেহ মাওউদ (ৰাঃ)য়ে কৈছে যে যেতিয়া মক্কাৰ কাফিৰ সকলৰ মনত সন্দেহ জন্মিছিল যে ৰছুলে কৰিম (ছাঃ)য়ে হিজৰত কৰি মদিনালৈ গুচি যাব পাৰে তেতিয়া তেওঁলোকে আঁ-হজৰত (ছাঃ)ৰ বিৰুদ্ধে এটা পৰিকল্পনা হাতত ল'বলৈ কাছা বিন কালাবৰ ঘৰত অৰ্থাৎ দাৰুল নদোৱাত গৈ সকলোৱে একগোট হৈছিল। সেই দিনটোক ইয়াওমুল জাহমাহ বুলি কোৱা হয়। সেই ষড়যন্ত্ৰমুলক পৰামৰ্শ সভাত কুৰাইছ সকলৰ নামী-দামী চৰ্দাৰ বিলাকৰ এটা দলৰ ওপৰিও বাহিৰা গোত্ৰৰ কিছুমান চৰ্দাৰ সকলেও আহি যোগদান কৰিছিল। আঁ-হজৰত (ছাঃ)ৰ বিৰুদ্ধে বিভিন্ন জনে ভিন্ন ভিন্ন মতবুদ্ধি উপায়ৰ পৰামৰ্শ আগবঢ়ায়। কোনোবাই কৈছিল মুছলমান কেইজনক এঠাইত বন্দী কৰি ৰখা যাওঁক, কোনোবাই কৈছিল দেশৰ পৰা খেদি পঠোৱা যাওঁক কিন্তু আবু জাহিলে সেই সভাত কৈছিল যে কুৰাইছৰ প্ৰত্যেক কবিলাৰ পৰা শক্তিশালী দক্ষ নিপুন যুৱক কেইজনমান বাছি লোৱা যাওঁক,সিহঁতে মহম্মদ (ছাঃ)ক হত্যা কৰি পেলাব। এনেদৰেহে তেওঁৰ অৰ্থাৎ মহম্মদ (ছাঃ)ৰ তেজ সকলো কবিলালৈ বিতৰণ কৰা হ'ব আৰু বনু আবদে মান্নাফ সকলো কবিলাৰ সৈতে যুদ্ধ কৰিব নোৱাৰিব আৰু জৰিমনা ভৰিবলৈ বাধ্য হ'ব। আবু জাহিলৰ কথা শুনি গাত চাদৰ মেৰিয়াই লোৱা এজন বয়সস্থ লোক; চয়তান সদৃশ লোক; যাক কোনেও নেজানিছিল; ক'বলৈ লৈছিল যে মই নজদৰ বাসিন্দা হওঁ আৰু তোমালোকৰ কল্যাণাৰ্থে আহিছো। তেওঁ আবু জাহিলৰ কথাত হয়ভৰ দিছিল; যাৰ ফলত সকলোৱে সেই কথাতে একমত হৈ পৰে। আনফালে আল্লাহ তা'লা আঁ-হজৰত (ছাঃ)ৰ সকলো পৰিস্থিতি সম্পৰ্কে খবৰ দি হজৰত জিব্ৰাইলৰ জৰিয়তে হিজৰত কৰিবলৈ অনুমতি প্ৰদান কৰে। হিজৰতৰ অনুমতি পোৱাৰ পিছত আঁ-হজৰত (ছাঃ)য়ে অত্যন্ত গৰমৰ বতৰত দুপৰীয়া সময় ছোৱাত গাত চাদৰ মেৰিয়াই নিজকে ঢাকিলৈ বৰ সতৰ্কতাৰে; যাতে কোনেও গম নাপায়; হজৰত আবু বক্কৰ (ৰাঃ)ৰ ঘৰলৈ যায়। তাত গৈ আঁ-হজৰত (ছাঃ)য়ে হজৰত আবু বক্কৰ (ৰাঃ)ক কৈছিল যে আল্লাহ তা'লাৰ ফালৰ পৰা মোক হিজৰত কৰাৰ অনুমতি দিয়া হৈছে। তেতিয়া হজৰত আবু বক্কৰ (ৰাঃ)য়ে নিবেদন কৰিছিল ইয়া ৰছুলুল্লাহ (ছাঃ) মোক আপুনি লগত লৈ যাবনে ? তেখেত (ছাঃ)য়ে কৈছিল হয় লৈ যাম। হিজৰতৰ ভ্ৰমণ সম্পৰ্কে যিহেতু আগতেই ইঙ্গিত আহিছিল, সেয়ে হজৰত আবু বক্কৰ (ৰাঃ)য়ে নিজৰ বুদ্ধিৰে দুটা উটনী প্ৰথমৰে পৰাই আঠ শ দেৰহামত কিনি সাজু কৰি ৰাখিছিল। আঁ-হজৰত (ছাঃ)য়ে হজৰত আবু বক্কৰ (ৰাঃ)ক বুজাই পৰাই তাৰে এটা উটনী চাৰি শ দেৰহামত আৰু আন এটা ৰিৱায়ত অনুযায়ী আঠ শ দেৰহামত হজৰত আবু বক্কৰ (ৰাঃ)ৰ পৰা কিনি লৈছিল।

পৰিকল্পনা অনুযায়ী প্ৰথমে ছুৰ নামক গুহাত তিনি দিন অৱস্থান কৰিব। মক্কাৰ পৰা আঁতৰত থকা সৰু প্ৰান্তৰ বাট সম্পৰ্কে অভিজ্ঞ এজন মুশৰিক; কিন্তু সজ প্ৰকৃতিৰ লোক; আব্দুল্লাহ বিন আৰিকাতৰ দায়িত্বত তিনিটা উট ৰখা হৈছিল আৰু কোৱা হৈছিল যে তেওঁ যেন উট তিনিটালৈ তিনি দিন পিছত ছুৰ গুহাৰ ওচৰত আহি উপস্থিত হয়। এই ব্যক্তিজনে পিছলৈ মুছলমান হৈ গৈছিল। হজৰত আব্দুল্লাহ বিন আবু বক্কৰ (ৰাঃ)ক দায়িত্ব দিয়া হৈছিল যে তেওঁ যেন দৈনিক ৰাতিত আহি মক্কাৰ লোকৰ অৱস্থা সম্পৰ্কে আঁ-হজৰত (ছাঃ)ক জনায়। হজৰত আবু বক্কৰ (ৰাঃ)ৰ এজন বিবেকবান আৰু দায়িত্বশীলগোলাম আমৰ বিন ফহিৰাক দায়িত্ব দিয়া হৈছিল যে তেওঁ নিজৰ ছাগলী বিলাক ছুৰ গুহাৰ ওচৰে-পাজৰে চৰাব আৰু ৰাতি হলে খিৰতি ছাগলীৰ গাখীৰ খিৰাই সতেজ গাখীৰ এখেত সকল দুজনক পান কৰিবলৈ দি থৈ আহিব। হজৰত আলি (ৰাঃ)ক এই কামৰ দায়িত্ব দিয়া হৈছিল যে তেওঁ ৰাতিত গৈ হুজুৰ (ছাঃ)ৰ বিছনা মোবাৰকত তেখেত (ছাঃ)ৰ সেউজীয়া আন এটা ৰিৱায়ত অনুযায়ী ৰঙা ৰঙৰ হুজৰমি চাদৰেৰে গা মূৰ ঢাকি শুই থাকিব। তাৰ পিছত ৰছুলুল্লাহ (ছাঃ)ৰ ফালৰ পৰা লোকৰ আমানত ঘূৰাই দি তিনি দিন পিছত

মদিনালৈ গুচি যাব।

এই হিজৰতৰ ভ্ৰমণৰ বাবে আঁ-হজৰত (ছাঃ)য়ে ঘৰৰ পৰা ওলোৱাৰ সঠিক সময় সম্পৰ্কে বিভিন্ন মতামত আছে। যিয়েই নহওঁক হজৰত মছীহ মাওউদ (আঃ)ৰ অভিমত অনুযায়ী আঁ-হজৰত (ছাঃ)য়ে ৰাতি পুৱাৰ ভাগত ঘৰৰ পৰা ওলাইছিল কিন্তু কোনো বিৰুদ্ধবাদীয়ে তেখেত (ছাঃ)ক দেখা পোৱা নাছিল। যিহেতু বিৰুদ্ধবাদী সকলে তেখেত (ছাঃ)ৰ ঘৰ ঘেৰাও কৰি ৰাখিছিল। আল্লাহ তা'লা ছুৰা ইয়াছিনত উল্লেখ কৰিছে যে সেইসকল দুৰ্ভগীয়াৰ চকুত আঁৰ কাপোৰ পাৰি দিয়া হয় আৰু আঁ-হজৰত (ছাঃ)য়ে সিহঁতৰ মূৰত ছাই উৰুৱাই গুচি যায়। এনেদৰে আঁ-হজৰত (ছাঃ)য়ে ঘৰৰ পৰা ওলোৱাৰ পিছত কোন ফালে ৰওনা হৈছিল সেই সম্পৰ্কেও শুদ্ধ তথ্য হ'ল এয়া যে আঁ-হজৰত (ছাঃ)য়ে নিজৰ ঘৰৰ পৰা ওলাই পোনে পোনে হজৰত আবু বক্কৰ (ৰাঃ)ৰ ঘৰলৈ যায়; তাৰ পৰা হজৰত আবু বক্কৰ (ৰাঃ)ক লগত লৈ ছুৰ গুহাৰ ফালে যাত্ৰা কৰে। এই হিজৰতৰ ভ্ৰমণৰ অৰ্থে হজৰত আয়শা (ৰাঃ)অতি সযত্নে এখেত দুজনৰ নিমিত্তে খাদ্য আৰু কিছু বস্তু এটা মোনাত ভৰাই দিছিল। সেই মোনাটোৰ মূখ বন্ধ কৰিবলৈ হজৰত আছমা (ৰাঃ)য়ে নিজৰ কঁকাল বন্ধা কাপোৰৰ পৰা এটুকুৰা ছিঙি লৈ সেইটোৰে মোনাৰ মূখত হোপা দি বান্ধি দিছিল। সেয়া দেখি নবী কৰিম (ছাঃ)য়ে কৈছিল হে আছমা ! আল্লাহ তোমাৰ এই কঁকাল বন্ধা কাপোৰৰ পুৰস্কাৰ হিচাপে তোমাক জান্নাতত দুটা কঁকাল মেৰোৱা কাপোৰ উপহাৰ দিব। ইয়াৰ পিছৰে পৰা হজৰত আছমা (ৰাঃ)ৰ নাম জাতুল নিতাক হৈ গৈছিল।

এই হিজৰতৰ ভ্ৰমণ কালত নবী কৰিম (ছাঃ)য়ে এই আয়াত তপ-জপ কৰি কৰি বাট অতিক্ৰম কৰি গৈ আছিল।

وَقُلْ رَّبِّ اَدْخِلْنِیْ مُدْخَلَ صِدْقٍ وَّ اَخْرِجْنِیْ مُخْرَجَ صِدْقٍ وَّ اجْعَلْ

لِّیْ مِنْ لَّدُنْكَ سُلْطٰنًا نَّصِیْرًا ۸۱ (বনি ইস্ৰাইল আয়াত ৮১)

অৰ্থাৎ তুমি কোৱা ! হে মোৰ পালন কৰ্তা ! মোক এনেদৰে আগবঢ়াই নিয়া যে মোৰ অগ্ৰসৰ যেন সত্যৰ মাজেৰে হয় আৰু এনেদৰে উলিৱাই দিয়া মোৰ ওলাই যোৱাটো সত্যৰ মাজেৰে হয় আৰু তোমাৰ ফালৰ পৰা মোৰ বাবে শক্তিশালী সহায়কাৰী দান কৰা। শৰাহ জোৰকানিত এটা দোৱাৰ উল্লেখ পোৱা যায়। খানা কাবাৰ পিছেদি যোৱাৰ সময়ত নবী কৰিম (ছাঃ)য়ে মক্কাৰ পিনে নিজৰ মূখ ঘূৰাই কৈছিল যে খোদাৰ শপত ! হে মক্কা তুমি আল্লাহৰ মাটিৰ মাজত মোৰ আৰু আল্লাহৰ ওচৰত আটাইতকৈ বেছি প্ৰিয় আৰু যদি তোমাৰ বাসিন্দা সকলে মোক অত্যাচাৰ কৰি খেদি নিদিলেহেঁতেন তেন্তে মই কেতিয়াও গুচি নগলোঁহেঁতেন।

ইমাম বায়হাকিয়ে লিখিছে যে ছুৰ গুহালৈ ভ্ৰমণৰত অৱস্থাত হজৰত আবু বক্কৰ (ৰাঃ)য়ে আঁ-হজৰত (ছাঃ)ৰ নিৰাপত্তাৰ বাবে তেখেত (ছাঃ)ৰ আগে পাছে সোঁৱে বাওঁৱে থাকি আগুৱাই গৈছিল যাতে তেখেত (ছাঃ) সকলো ফালেৰে নিৰাপদ থাকে। এটা ৰিৱায়ত অনুযায়ী সেই পাহাৰীয়া ভ্ৰমণত নবী কৰিম (ছাঃ)ৰ ভৰি আঘাত প্ৰাপ্ত হৈছিল। সেই ছুৰ গুহাত প্ৰৱেশ কৰাৰ সময়ত হজৰত আবু বক্কৰ (ৰাঃ)য়ে ভিতৰত বিপদৰ আশঙ্কাত নিজে আগতে প্ৰৱেশ কৰিছিল আৰু গুহাৰ ভিতৰত চাফ-চিকুন কৰি ৰছুলুল্লাহ (ছাঃ)ক ভিতৰলৈ অহাৰ আহ্বান কৰিছিল। গুহাৰ ভিতৰত প্ৰৱেশ কৰি নবী কৰিম (ছাঃ)য়ে হজৰত আবু বক্কৰ (ৰাঃ)ৰ উৰুৰ ওপৰত মূৰ থৈ শুই পৰিছিল। হজৰত আবু বক্কৰ (ৰাঃ)য়ে নিজৰ এখন ভৰি এটা গাঁতৰ ওপৰত ৰাখি বহিছিল। এনেতে গাঁতৰ ভিতৰৰ পৰা সৰ্পই কামোৰি আছিল কিন্তু তেখেত (ৰাঃ)য়ে অলপো ভৰিখন লৰ-চৰ কৰোৱা নাছিল। নবী কৰিম (ছাঃ)য়ে

টোপনীৰ পৰা সাৰ পাই দেখিছিল যে হজৰত আবু বক্কৰ (ৰাঃ)ৰ গাৰ ৰং সলনি হৈ গৈছে। এই অৱস্থা দেখি আঁ-হজৰত (ছাঃ)য়ে ঘটনাৰ বিষয়ে সুধিছিল। সবিশেষ শুনি আঁ-হজৰত (ছাঃ)য়ে নিজৰ মুখৰ থু আবু বক্কৰ (ৰাঃ)ৰ ক্ষতস্থানত লগাই দিছিল। ক্ষণতেই হজৰত আবু বক্কৰ (ৰাঃ)ৰ ভৰিৰ বেদনা ঠিক হৈ গৈছিল।

মক্কাৰ কুৰাইছ সকলে যেতিয়া আঁ-হজৰত (ছাঃ)ৰ বিছনা মোবাৰক হজৰত আলি (ৰাঃ)য়ে শুই থকাৰ কথা গম পাইছিল তেতিয়া তেখেত (ৰাঃ)ক ধৰি আনি মাৰ-পিট কৰি এৰি দিছিল। আকৌ আবু জাহিলে হজৰত আছমা (ৰাঃ)ৰ সৈতে তৰ্ক-বিতৰ্ক কৰি তাইৰ মুখ মণ্ডলত চৰ শুধাই দিছিল যাৰ ফলত তাইৰ কাণৰ বালি (গহনা) ভাঙি গৈছিল। অৱশেষত মক্কাৰ এজন চৰ্দাৰ উমিয়া বিন খালফ নিজে এজন সুদক্ষ তাপাচী কৰোঁতা আলকামাহ বিন কুৰেজক লৈ লগতে আৰু কিছুমান সংগীবৃন্দ লৈ আঁ-হজৰত (ছাঃ)ক বিচাৰি বিচাৰি ছুৰ নামক গুহাৰ ওচৰ পাইছিলগৈ। হজৰত আবু বক্কৰ (ৰাঃ)য়ে বৰ্ণনা কৰিছে যে মই গুহাৰ ভিতৰত পৰা সিহঁতৰ ভৰি দেখিবলৈ পাই আছিলো,যদি কোনোবায় গুহাৰ ভিতৰলৈ জুমি চালেহেঁতেন তেন্তে আমি ধৰাত পৰিলো হয়। কিন্তু এই বিপদৰ সময়ত কুদৰতে ইলাহিৰ মজিজাত এটা মকৰায় গুহাৰ মুখত তাৰ জাল বনাই দিছিল আৰু এযোৰ পাৰ চৰাইয়ে তাতে আকৌ বাঁহ সাজি কণী পৰিছিল। হজৰত আবু বক্কৰ (ৰাঃ)ৰ বিষয়ে বৰ্ণনা আগলৈ চলিব। ইনশা আল্লাহ-

اَلْحَمْدُ لِلّٰهِ نَحْمَدُهٗ وَنَسْتَعِيْنُهٗ وَنَسْتَغْفِرُهٗ وَنُؤْمِنُ بِهٖ وَنَتَوَكَّلُ عَلَيْهِ وَنَعُوْذُ بِاللّٰهِ مِنْ شُرُوْرِ اَنْفُسِنَا
وَمِنْ سَيِّئَاتِ اَعْمَالِنَا مَنْ يَّهْدِهِ اللّٰهُ فَلَا مُضِلَّ لَهٗ وَمَنْ يُّضْلِلْهُ فَلَا هَادِيَ لَهٗ وَنَشْهَدُ اَنْ لَّا اِلٰهَ اِلَّا اللّٰهُ
وَنَشْهَدُ اَنَّ مُحَمَّدًا عَبْدُهٗ وَرَسُوْلُهٗ. عِبَادَ اللّٰهِ رحمكم الله اِنَّ اللّٰهَ يَاْمُرُ بِالْعَدْلِ وَالْاِحْسَانِ وَاِيْتَآءِ ذِي الْقُرْبٰى
وَيَنْهٰى عَنِ الْفَحْشَآءِ وَالْمُنْكَرِ وَالْبَغْيِ يَعِظُكُمْ لَعَلَّكُمْ تَذَكَّرُوْنَ اُذْكُرُوا اللّٰهَ يَذْكُرْكُمْ وَادْعُوْهُ يَسْتَجِبْ
لَكُمْ وَلَذِكْرُ اللّٰهِ اَكْبَرُ.

**ASSAMESE KHULASA KHUTBA JUMA HUZOOR ANWAR aba 24 DECEMBER 2021**

## BOOK POST (PRINTED MATTER)

TO,
..........................................................................................................
..........................................................................................................
..........................................................................................................
..........................................................................................................
..........................................................................................................

**From: Ahmadiyya Circle Office, Abhayapuri M.G. Road W/n-IV, Bongaigaon Assam 783384. # 9707110844**